# 2021

( Held in 2022 )

## ASSAMESE

## ( MIL Communication )

Paper : ASM–AE–1014

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি বা বৰ্ণ কেইটা ?

(খ) UNICODEৰ সম্পূৰ্ণ ৰূপটো কি ?

(গ) অসমীয়া লিপিৰ মূল কি ?

(ঘ) ফেচবুকৰ জন্মদাতা কোন ?

(ঙ) ভাষা-শিক্ষণৰ বাবে প্ৰয়োজনীয় কৌশল এটাৰ নাম লিখা।

(চ) অসমীয়া ভাষাৰ ধ্বনিবোৰ সঠিক উচ্চাৰণগত ৰূপত লিখিবলৈ কোনবোৰ প্ৰতীক ব্যৱহাৰ কৰা হয় ?

(ছ) ছফ্‌টৱেৰত উপলব্ধ এখন অসমীয়া অভিধানৰ নাম লিখা।

(জ) কম্পিউটাৰৰ উদ্ভৱ কেতিয়া হৈছিল ?

(ঝ) অসমত উমৈহতীয়াভাৱে ব্যৱহৃত অসমীয়া ভাষাটোক কি বুলি কোৱা হয় ?

(ঞ) অসমীয়া ভাষাত মুদ্ৰিত প্ৰথমখন গ্ৰন্থৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) আখৰ-জোঁটনি আৰু বৰ্ণবিন্যাস বুলিলে কি বুজা, লিখা।

(খ) "যাৰ প্ৰকৃতি ভাল যাৰ দাঁত আৰু ওঁঠ শোভন যি কথা বাৰ্তাত মুখৰ আৰু বিনয়ী তেওঁ প্ৰকৃত উচ্চাৰণ কৰিব পাৰে।" বাক্যটোত যতি চিহ্নৰ প্ৰয়োগ কৰা।

(গ) ইণ্টাৰনেটৰ দ্বাৰা যোগাযোগ ব্যৱস্থা সৃষ্টি কৰা ব্যক্তি দুজনৰ নাম লিখা।

(ঘ) কোনো এটা প্ৰসাধন সামগ্ৰীৰ বিজ্ঞাপন দূৰদৰ্শনত কেনেদৰে দিব পাৰি, উল্লেখ কৰা।

(ঙ) বিজ্ঞাপনৰ উদ্দেশ্য কি ?





৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ভাষা-জ্ঞান

(খ) সামাজিক মাধ্যম আৰু ভাষা মিশ্ৰণ

(গ) ফেচবুকৰ ভাষা

(ঘ) টুইটাৰৰ ব্যৱহাৰ

(ঙ) অসমীয়া ভাষা আৰু ৱিকিপিডিয়া

(চ) অসমীয়া মুদ্ৰণ

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) তোমাৰ কলেজৰ পুথিভঁৰালৰ বাবে ১০০০০০·০০ (একলাখ) টকাৰ কিতাপ কিনাৰ বাবে এখন নিবিদা প্ৰস্তুত কৰা।

(খ) সামাজিক মাধ্যমত অসমীয়া ভাষা কেনেধৰণে চৰ্চিত হৈ আছে, ইয়াৰ যোগাত্মক আৰু বিয়োগাত্মক দিশসমূহৰ সৈতে আলোচনা কৰা।

(গ) মুদ্ৰণ ব্যৱস্থাই অসমীয়া ভাষাক কিদৰে সহায় কৰিছে, বহলাই আলোচনা কৰা।

(ঘ) অসমীয়া সমাজত ইণ্টাৰনেটৰ ব্যৱহাৰ আৰু প্ৰসাৰ সম্পৰ্কে বহলাই আলোচনা কৰা।

(ঙ) কথন-দক্ষতা বুলিলে কি বুজা? অসমীয়া ভাষাৰ ভিত্তিত ফঁহিয়াই আলোচনা কৰা।

(চ) অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(ছ) যি কোনো চৰকাৰী চাকৰি এটা বিচাৰি আৱেদন এখন প্ৰস্তুত কৰা।

★★★

**2021**

( Held in 2022 )

# ASSAMESE

( Honours )

Paper : ASM–HC–1026

**( History of Assamese Literature )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) ভট্টদেৱৰ প্ৰকৃত নাম কি?

(খ) ভৱানীপুৰীয়া গোপালদেৱে ৰচনা কৰা এখন নাটৰ নাম লিখা।

(গ) সুকুমাৰ বৰকাথে হাতীৰ চিকিৎসা সম্পৰ্কে ৰচনা কৰা পুথিখনৰ নাম কি?

(ঘ) আহোম যুগৰ শ্ৰেষ্ঠ কবিজনৰ নাম কি?

(ঙ) 'তুংখুঙীয়া বুৰঞ্জী'ৰ ৰচক কোন?

(চ) 'অৰুণোদই' কাকত কিমান চনত প্ৰকাশ হৈছিল ?

(ছ) ডক্টৰ নাথান ব্ৰাউনে অসমীয়া ভাষাৰ বিষয়ে ইংৰাজীত ৰচনা কৰা ব্যাকৰণ পুথিখনৰ নাম কি ?

(জ) 'অৰুণোদই'ৰ সমকালীন এখন অসমীয়া বাতৰি কাকতৰ নাম লিখা।

(ঝ) 'চাহাপৰী উপাখ্যান'ৰ ৰচক কোন ?

(ঞ) 'হেমকোষ' কিমান চনত প্ৰকাশ হৈছিল ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) শংকৰোত্তৰ কালৰ অসমীয়া সাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(খ) ভট্টদেৱে গদ্যত ৰচনা কৰা দুখন পুথিৰ নাম লিখা।

(গ) পদ্যত ৰচনা কৰা দুখন বুৰঞ্জীৰ নাম লিখা।

(ঘ) অৰুণোদই যুগৰ দুজন অখৃষ্টীয়ান লেখকৰ নাম লিখা।

(ঙ) প্ৰথম অসমীয়া সামাজিক নাটকৰ নাম কি? ইয়াৰ ৰচক কোন ?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) শংকৰোত্তৰ কালৰ অসমীয়া নাট

(খ) বুৰঞ্জীৰ গদ্য





(গ) এ. কে. গাৰ্নিৰ সাহিত্যকৃতি

(ঘ) অসমীয়া ভাষা সাহিত্যলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান

(ঙ) ঊনবিংশ শতিকাৰ শেষ কালছোৱাৰ অসমীয়া ভাষা-সাহিত্যৰ কাণ্ডাৰীৰূপে গুণাভিৰাম বৰুৱাৰ অৱদান

(চ) শংকৰোত্তৰ যুগৰ অসমীয়া ৰামায়ণী সাহিত্য

৪। শংকৰোত্তৰ কালৰ অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতি সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

অথবা

অসমীয়া চৰিত পুথিৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

৫। অসমীয়া ৰামায়ণী সাহিত্যলৈ ৰঘুনাথ মহন্তৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

অথবা

আহোম যুগত ৰচিত ব্যৱহাৰিক পুথিসমূহৰ এটি ৰূপৰেখা দাঙি ধৰা।

৬। প্ৰাক্-অৰুণোদই যুগৰ যি কোনো দুগৰাকী লেখকৰ বিষয়ে আলোচনা কৰা। ১০

অথবা

"যুক্তৰাষ্ট্ৰৰ এই মিছনেৰী দম্পতিৰ দান অসমীয়াই চিৰকাল স্মৰণ কৰিব।" এই মন্তব্যৰ আধাৰত যুক্তৰাষ্ট্ৰৰ নাথান ব্ৰাউন দম্পতিৰ স্মৰণীয় অৱদানসমূহৰ বিষয়ে আলোচনা কৰা।

৭। অসমীয়া সমাজ, সাহিত্যলৈ খ্ৰীষ্টান মিছনেৰীসকলৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

অথবা

হেমচন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য-সাধনা সম্পৰ্কে এটি নাতিদীৰ্ঘ নিবন্ধ যুগুত কৰা।

* * *

# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–HG/RC–1016

( অসমীয়া ভাষাৰ ইতিহাস )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ১×১০=১০

(ক) প্ৰাচীন কামৰূপত প্ৰচলিত 'কামৰূপী প্ৰাকৃত' নামৰ থলুৱা প্ৰাকৃতৰ কথা প্ৰথমে কোনে উল্লেখ কৰিছিল ?

(খ) চৰ্যাপদসমূহ কি ধৰ্মৰ লগত জড়িত ?

(গ) গদ্যত লিখা এখন চৰিতপুথিৰ নাম লিখা।

(ঘ) 'বুঢ়ী আইৰ সাধু' প্ৰথমে কিমান খ্ৰীষ্টাব্দত প্ৰকাশিত হৈছিল ?

(ঙ) কোনজন পূৰ্বজ কবিক শংকৰদেৱে 'অপ্ৰমাদী কবি' আখ্যা দিছিল ?

(চ) চৰ্যাপদসমূহ প্ৰথম ছপা হৈ ওলাওঁতে কি ভাষাৰ নিদৰ্শন ৰূপে প্ৰকাশ হৈ ওলাইছিল ?

(ছ) হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন চৰিত' প্ৰথম কোনখন আলোচনীত প্ৰকাশ হৈছিল ?

(জ) 'অসমীয়া কথা সাহিত্য' নামৰ গ্ৰন্থৰ ৰচকজনৰ নাম লিখা।

(ঝ) শংকৰদেৱৰ 'দশম' গ্ৰন্থখন ভাগৱত পুৰাণৰ কোনটো স্কন্ধৰ আলমত ৰচিত ?

(ঞ) আনন্দৰাম ঢেকিয়াল ফুকনৰ প্ৰথম প্ৰকাশিত ৰচনাখনৰ নাম লিখা।

২। তলৰ প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) যি কোনো দুবিধ মন্ত্ৰৰ নাম লিখা।

(খ) মাগধী প্ৰাকৃতৰ পৰা বিকশিত অপভ্ৰংশ দুবিধ কি কি ?

(গ) তলৰ শব্দ দুটাৰে 'অৰুণোদই' আলোচনীত কি অৰ্থ বুজোৱা হৈছিল, লিখা :

লতা-পনিয়ল, নাগমাটি।

(ঘ) ''সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোদ্ধৃতে।''

উল্লিখিত কাব্যাংশৰ ৰচক কোন ? ইয়াত 'লম্ভা পৰিহৰি' কথাষাৰে কি বুজাইছে ?





(ঙ) হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা অসমীয়া ভাষাৰ ব্যাকৰণখনৰ নাম কি ? এই ব্যাকৰণখন প্ৰথম কোন খ্ৰীষ্টাব্দত প্ৰকাশিত হৈছিল ?

৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) প্ৰাচীন কামৰূপৰ লিপিসমূহত উল্লেখ থকা স্থানীয় ভাষাৰ বিশেষত্বপূৰ্ণ ঠাইৰ নাম আৰু মানুহৰ নামৰ বিষয়ে লিখা।

(খ) চৰ্যাপদৰ ভাষাৰ লগত অসমীয়া ভাষাৰ ধ্বনিগত সাদৃশ্য দেখুওৱা।

(গ) 'দশম'ৰ অনুবাদ-ৰীতিৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(ঘ) মন্ত্ৰপুথিসমূহৰ ভাষাৰ বিশেষত্ব দেখুৱাই এটি টোকা লিখা।

(ঙ) বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটা টোকা লিখা।

(চ) 'অৰুণোদই' আলোচনীৰ বৰ্ণবিন্যাস সলনি কৰাত হেমচন্দ্ৰ বৰুৱাই কেনে ভূমিকা লৈছিল ? হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন চৰিত'ৰ আধাৰত বৰ্ণনা কৰা।

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ১০×৪=৪০

৪। (ক) ''তেওঁৰ (মাধৱ কন্দলিৰ) ভাষাত কথ্য অসমীয়া ভাষাৰ এটি সাধু বা সাহিত্যিক ৰূপ প্ৰতিষ্ঠিতভাৱে দেখা পাওঁ।'' ড০ মহেশ্বৰ নেওগৰ এই উক্তিৰ আলমত সাহিত্যিক অসমীয়া ভাষা গঢ় দিয়াত মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ গুৰুত্ব বিচাৰ কৰা।

নাইবা

(খ) 'দশম'ৰ আধাৰত শংকৰদেৱৰ ৰচনাত ব্যৱহৃত বিভিন্ন ধৰণৰ শব্দ, ফকৰা চিত্ৰ, যোজনা-পটন্তৰ আদিৰ বিষয়ে আলোচনা কৰা।

৫। (ক) চৰিতপুথিৰ গদ্যৰ ভাষাগত বিশেষত্ববোৰ বিচাৰ কৰা।

নাইবা

(খ) বুৰঞ্জী আৰু চৰিতপুথিৰ গদ্যৰ এটি তুলনামূলক বিচাৰ দাঙি ধৰা।

৬। (ক) 'বুঢ়ী আইৰ সাধু'ৰ আলমত সাধুকথাৰ কথক হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাৰ এটি পৰিচয় দাঙি ধৰা।

নাইবা

(খ) আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমিয়া ল'ৰাৰ মিত্ৰ'ৰ ভাষাৰ বিষয়ে আলোচনা কৰা।

৭। (ক) চৰ্যাপদৰ ভাষাৰ লগত অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক সাদৃশ্য বিচাৰ কৰা।

নাইবা

(খ) অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ এটি ৰূপৰেখা দাঙি ধৰা।

* * *

# 2 0 2 1

( Held in 2022 )

## ASSAMESE

( Honours )

Paper : ASM–HC–1016

**( অসমীয়া সাহিত্যৰ বুৰঞ্জী )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থত মধ্যযুগক কেইটা পৰ্যায়ত বিভক্ত কৰিছে?

(খ) 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থখনৰ প্ৰথম তাঙৰণ কেতিয়া প্ৰকাশ হৈছিল?

(গ) দেবেন্দ্ৰনাথ বেজবৰুৱাই ৰচনা কৰা অসমীয়া সাহিত্যৰ বুৰঞ্জী গ্ৰন্থখনৰ নাম কি?

(ঘ) কিমান চনত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপাল ৰাজদৰবাৰ গ্ৰন্থালয়ৰ পৰা 'চৰ্যাপদ'সমূহ উদ্ধাৰ কৰে ?

(ঙ) 'শ্ৰীকৃষ্ণ-কীৰ্তন' কাব্যখনৰ বৰ্ণনীয় বিষয় কি ?

(চ) তিব্বতী ভাষাত 'ডাক' শব্দৰ অৰ্থ কি ?

(ছ) 'হৰগৌৰী সংবাদ' ৰচনা কৰা কবিজনাৰ নাম কি ?

(জ) 'গুণ-মালা' পুথিখন কি ছন্দত লিখা হৈছিল ?

(ঝ) ভট্টদেৱৰ প্ৰকৃত নাম কি ?

(ঞ) '' 'গীতি-ৰামায়ণ' বাল্মীকিৰ মহাকাব্যৰ গাঁৱলীয়া তাঙৰণ মাথোন''—এই কথাষাৰ কোনে কৈছিল ?

২। তলৰ প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) কামৰূপৰ দুগৰাকী চৰ্যাকাৰৰ নাম লিখা।

(খ) 'অসমীয়া সাহিত্যৰ চানেকি' গ্ৰন্থখন কাৰ ৰচনা ? অসমীয়া সাহিত্যৰ প্ৰাচীন কালটোক ইয়াত কি বুলিছে ?

(গ) অসমীয়া সমাজত প্ৰচলিত দুটি ডাকৰ বচনৰ উদ্ধৃতি দিয়া।

(ঘ) 'শূন্যপুৰাণ' কোনে ৰচনা কৰিছিল ? ইয়াৰ মূল বিষয়বস্তু কি ?

(ঙ) কমতাপুৰৰ ৰজাৰ অনুপ্ৰেৰণা লাভ কৰা কবিসকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ কবিজন কোন ? তেওঁৰ দুখন কাব্যৰ নাম লিখা।





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) অসমীয়া ভাষা-সাহিত্যলৈ বাণীকান্ত কাকতিৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।

(খ) 'শ্ৰীকৃষ্ণ-কীৰ্তন'ৰ এটি পৰিচয়মূলক টোকা লিখা।

(গ) প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ কাব্যৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(ঘ) ভট্টদেৱৰ ৰচনাৱলীৰ ক্ৰম সম্পৰ্কে সাহিত্যৰ বুৰঞ্জীৰ আধাৰত লিখা।

(ঙ) 'বেউলা-আখ্যান'ৰ বিষয়ে এটি টোকা যুগুত কৰা।

(চ) চমু টোকা লিখা : 'নামঘোষা'ত প্ৰতিফলিত দাস্যভাৱ।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) সত্যেন্দ্ৰনাথ শৰ্মাকৃত অসমীয়া সাহিত্যৰ যুগ-বিভাজন সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(খ) ডাকৰ বচনত অসমীয়া সমাজ-জীৱনৰ কোনবোৰ দিশ প্ৰকাশিত হৈছে, উদাহৰণসহ আলোচনা কৰা।

(গ) অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'চৰ্যাপদ'ৰ স্থান নিৰূপণ কৰা।

(ঘ) মাধৱ কন্দলিৰ কাব্য-প্ৰতিভা সম্পৰ্কে এটি সমালোচনাত্মক নিবন্ধ যুগুত কৰা।

(ঙ) শংকৰদেৱৰ নাটৰ বৈশিষ্ট্য সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(চ) সুকবি নাৰায়ণদেৱৰ চমু পৰিচয় উল্লেখ কৰি তেওঁৰ সাহিত্যকৃতি সম্পৰ্কে বিশদ বিৱৰণ দিয়া।

(ছ) অসমীয়া নাট্য-সাহিত্যলৈ 'ঝুমুৰা' কাৰ অৱদান? তেওঁৰ ঝুমুৰা কেইখনৰ চমু পৰিচয় দিয়া।

(জ) শংকৰী যুগৰ সাহিত্যৰ সাধাৰণ বিশেষত্ব সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

★★★